# সৰুপথাৰ মহাবিদ্যালয়

স্থাপিত ঃ ১৯৭০ চন

SARUPATHAR COLLEGE

# প্ৰতিবিম্ব ই-বাৰ্তা The Reflection

দ্বিতীয় বছৰ, চতুৰ্থ সংখ্যা (জুলাই-আগষ্ট), ২০২৫, সৰুপথাৰ মহাবিদ্যালয়

সৰুপথাৰ মহাবিদ্যালয় প্ৰকাশন কোষৰ দ্বাৰা প্ৰকাশিত।। দ্বিতীয় বছৰ, চতুৰ্থ সংখ্যা।। মাহেকীয়া ই-বাৰ্তা, ৩০ আগষ্ট, ২০২৫, শনিবাৰ


## নগাজৰি-খনিকৰ গাওঁ শিলালিপিৰ প্ৰতিকৃতি উন্মোচন

১১ আগষ্ট, ২০২৫ তাৰিখে সৰুপথাৰ মহাবিদ্যালয় প্ৰাংগনত উন্মোচন কৰা হয় নগাজৰি-খনিকৰ গাঁৱৰ প্ৰস্তৰখণ্ড লিপিখনিৰ এটি প্ৰতিকৃতি (replica)। সৰুপথাৰৰ নগাজৰি খনিকৰ গাঁৱত ১৯৭২ চনত উদ্ধাৰ হোৱা অসমৰ দ্বিতীয়খন লিপিৰ এটি প্ৰতিকৃতি মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ মুৰব্বী অধ্যাপক সত্যব্ৰত দত্তই মহাবিদ্যালয়ত স্থাপন কৰাৰ বিষয়ে চিন্তা-চৰ্চা কৰিছিল। এই ক্ষেত্ৰত সামগ্ৰিকভাৱে সহযোগিতা আগবঢ়ায় সৰুপথাৰ সমষ্টিৰ মাননীয় বিধায়ক শ্ৰীবিশ্বজিৎ ফুকনে। নিপুণ ভাস্কৰ্য শিল্পী পংকজ শইকীয়াই নিৰ্মান কৰা এই প্ৰতিকৃতি ১১ আগষ্ট তাৰিখে মহাবিদ্যালয়ৰ সন্মানীয় শিক্ষক-কৰ্মচাৰী তথা ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত উন্মোচন কৰা হয়।




**নগাজৰি-খনিকৰ গাঁও প্ৰস্তৰখণ্ড লিপি ঃ**

দৈয়াং-ধনশিৰি উপত্যকাই সামৰা সৰুপথাৰৰ নগাজৰি-খনিকৰ গাঁৱৰ লুডুৰাম শইকীয়াদেৱৰ ঘৰৰ পৰা ১৯৭২ চনত উদ্ধাৰপ্ৰাপ্ত এই প্ৰস্তৰখণ্ড লিপিখন আনুমানিক খ্ৰীষ্টাব্দ চতুৰ্থ শতিকাৰ শেষ নাইবা পঞ্চম শতিকাৰ আদি ভাগৰ কামৰূপী লিপিৰ নিদৰ্শন। এই লিপিৰ আখৰৰ সৈতে গুপ্ত লিপিৰ মিল দেখা যায়। ■

## মহাপুৰুষ শ্ৰী শ্ৰী শংকৰদেৱৰ ৪৫৭ সংখ্যক তিৰোভাৱ তিথি উদ্‌যাপন

২৫ আগষ্ট ২০২৫ তাৰিখে সমগ্ৰ ৰাজ্যতে উদ্‌যাপন কৰা হয় জগতগুৰু শংকৰদেৱৰ ৪৫৭ সংখ্যক তিৰোভাৱ তিথি। অসমীয়া সাহিত্য-সংস্কৃতি, ধৰ্ম-দৰ্শন, সমাজ আৰু সংস্কৃতিৰ মূল চালিকা শক্তি তথা বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰক জগতগুৰু শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৱ তিথি মহোৎসৱ সমগ্ৰ ৰাজ্যৰ সত্ৰ, নামঘৰসমূহত পালন কৰা হয়।




সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৪৫৭ সংখ্যক তিৰোভাৱ তিথি উদযাপন কৰা হয়। ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকলে গুৰুজনাৰ তিথি উপলক্ষে মহাবিদ্যালয়ত ভকত নিমন্ত্ৰণ কৰি নাম-প্ৰসংগ কৰা হয়। গুৰুজনাক সুঁৱৰি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰদৰ্শনীমূলক দিহানাম পৰিৱেশন কৰাৰ লগতে মুহীকান্ত তামুলী প্ৰেক্ষাগৃহত বৰগীত প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখনিত প্ৰথম স্থান লাভ কৰে পঞ্চম যান্মাসিকৰ ছাত্ৰী কৃষ্ণামণি দত্ত, দ্বিতীয় স্থান প্ৰথম যান্মাসিকৰ টোমন ব্ৰহ্ম আৰু তৃতীয় স্থান তৃতীয় যান্মাসিকৰ পূজাশ্ৰী বৰা। লগতে উদগনিমূলক বটাঁ পাবলৈ সক্ষম হয় প্ৰথম যান্মাসিকৰ উন্মেষা গগৈয়ে।■

## গোলাঘাট জিলা ক্ৰীড়া ভাৰতীৰ উদ্যোগত কুইজ প্ৰতিযোগিতা

১৬ আগষ্ট, ২০২৫ তাৰিখে আগন্তুক ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱসৰ সৈতে সংগতি ৰাখি ক্ৰীড়া- ভাৰতী, গোলাঘাট



জিলাৰ উদ্যোগ আৰু সৰুপথাৰ মহাবিদ্যালয়ৰ সহযোগত সৰুপথাৰ সমজিলা ভিত্তিক বাচনিমূলক ক্ৰীড়া কুইজ প্ৰতিযোগিতা সৰুপথাৰ মহাবিদ্যালয়ত অনুষ্ঠিত কৰে। বিদ্যালয় আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক সামৰি লোৱা এই প্ৰতিযোগিতাৰ বিজয়ীসকলে ২৫ আগষ্ট তাৰিখে হ'বলগীয়া গোলাঘাট জিলা ভিত্তিক কুইজত অংশগ্ৰহণ কৰাৰ সুযোগ লাভ কৰে। স্নাতক পৰ্যায়ৰ প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰিবলৈ সক্ষম হয় সৰুপথাৰ মহাবিদ্যালয়ৰ দুলেশ্বৰ শইকীয়া- পৰিস্মিতা বৰা, দ্বিতীয় স্থানৰ নিপু শইকীয়া- কিশোৰ বৰাৰ লগতে নিম্ন আৰু উচ্চ শাখাৰ সৰ্বমুঠ নটা দলক নিৰ্বাচিত কৰা হয়। এই সুন্দৰ কুইজখনৰ উদ্যোক্তা ক্ৰীড়া ভাৰতী, গোলাঘাট জিলাৰ শ্ৰীৰমেশ বৰা, সৰুপথাৰ কুইজ ফ'ক্সৰামৰ শ্ৰীসত্যব্ৰত দত্ত, কুইজ পৰিচালক হিচাপে আছিল আদিত্য ফুকন আৰু ৰাহুল দত্ত।■

## ২০২৫ বৰ্ষৰ নৱাগত আদৰণি সভা অনুষ্ঠিত

৩০ আগষ্ট, ২০২৫ তাৰিখে সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত নৱাগত আদৰণি সভাখনি অনুষ্ঠিত হয়। উক্ত সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত আছিল শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক শ্ৰীযুত পংকজ বৰঠাকুৰ ডাঙৰীয়া। তেখেতৰ প্ৰেৰণাদায়ক ভাষণে ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষকসকলকো সমৃদ্ধ কৰিলে। আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত আছিল সদৌ অসম টাই আহোম ছাত্ৰ সন্থাৰ মুখ্য সাংগঠনিক সম্পাদক শ্ৰী কৃষ্ণ বৰুৱা।



২০২৫ বৰ্ষত সৰুপথাৰ মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ স্নাতক অভিজিৎ ফুকনক (বিশ্ববিদ্যালয়ৰ ২য় স্থান প্ৰাপ্ত) ইন্দ্ৰেশ্বৰ চক্ৰৱৰ্তী সোঁৱৰণী বঁটা প্ৰদান কৰা হয়। এই বঁটাত আছে পাঁচ হাজাৰ টকা, এটা স্মাৰক আৰু মানপত্ৰ। অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰ মহোদয়াৰ ককাদেউতাৰ সশ্ৰদ্ধ সোঁৱৰণত ২০২৩ চনৰ পৰা এই বঁটা আগবঢ়াই আহিছে। সেইদৰে বাণিজ্য বিভাগৰ উদ্যোগত অনিৰ্বাণ পালক শ্ৰেষ্ঠ স্নাতকৰ (বাণিজ্য) বঁটা আৰু মানপত্ৰ প্ৰদান কৰা হয়।

ৰাজনীতি বিজ্ঞান বিভাগৰ ষষ্ঠ যান্মাসিকৰ ছাত্ৰী প্ৰিয়ংকা বৰাই ২০২৫ বৰ্ষৰ 'শ্ৰেষ্ঠ শিক্ষাৰ্থী'ৰ সন্মান লাভ কৰে। মহাবিদ্যালয়ৰ সুদক্ষ কৰ্মচাৰী বৰুণ কৰ্মকাৰ, অসীম গগৈ আৰু বিটু গঞ্জুলৈ তেওঁলোকৰ কৰ্তব্যনিষ্ঠাৰ বাবে মহাবিদ্যালয়খনে বিশেষ সন্মান আগবঢ়ায়। নৱাগত আদৰণি সভাৰ সাংস্কৃতিক অনুষ্ঠানৰ মুখ্য আকৰ্ষণ আছিল কণ্ঠশিল্পী মীৰদ্বীপ গগৈৰ গীতৰ শৰাই। ছাত্ৰ একতা সভাৰ সভাপতি ৰিতুপণ শ্ৰেষ্ঠৰ সভাপতিত্বত নৱাগত আদৰণি সভাৰ আঁত ধৰে বুৰঞ্জী বিভাগৰ ছাত্ৰ কুলদীপ গগৈয়ে। ■

## বিশেষভাৱে সক্ষম শিশুসকলৰ আশ্ৰয়স্থল 'ধৰমশক্তি'ত বিনামূলীয়া চিকিৎসা সেৱা

৫ জুলাই, ২০২৫ তাৰিখ জুলাই মাহৰ প্ৰথমটো শনিবাৰ। সৰুপথাৰ মহাবিদ্যালয়ৰ উদ্যোগ আৰু ধনশিৰি সমজিলা স্বাস্থ্য কেন্দ্ৰৰ সহযোগত জুলাই মাহৰ মুকলি স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত হ'ল বৰপথাৰত অৱস্থিত বিশেষভাৱে সক্ষম শিশুসকলৰ লগতে নিৰাশ্ৰয় জনৰ আশ্ৰয়স্থল 'ধৰমশক্তি'ত। সন্মানীয় চিকিৎসকবৃন্দ, স্বাস্থ্য কৰ্মীসকলৰ লগতে এই আশ্ৰয়গৃহৰ তত্ত্বাৱধায়ক শ্ৰীৰাজু শইকীয়াৰ সহযোগিতাৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰে আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে ।■



## সৰুপথাৰ মহাবিদ্যালয়ত বিনামূলীয়া চিকিৎসা সেৱা

৯ আগষ্ট, ২০২৫ তাৰিখে আগষ্ট মাহৰ দ্বিতীয়টো শনিবাৰ। সৰুপথাৰ মহাবিদ্যালয়ৰ উদ্যোগ আৰু সৰুপথাৰ সমজিলা অসামৰিক চিকিৎসালয়ৰ সহযোগত প্ৰতি মাহৰ প্ৰথমটো শনিবাৰে অনুষ্ঠিত কৰি অহা এই মুকলি স্বাস্থ্য পৰীক্ষা শিবিৰ এইবাৰ সম্পন্ন কৰা হয় সৰুপথাৰ মহাবিদ্যালয়ত। অৱশ্যে আগষ্ট মাহৰ প্ৰথমটো শনিবাৰ নহৈ দ্বিতীয়টো শনিবাৰেহে এই শিবিৰ সম্পন্ন কৰিব পৰা গ'ল। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে শিক্ষক-কৰ্মচাৰীসকলেও এই শিবিৰত অংশ গ্ৰহণ কৰে। সৰুপথাৰ সমজিলা অসামৰিক চিকিৎসালয়ৰ সন্মানীয় ড° অজিত গগৈ ডাঙৰীয়া, চিকিৎসকবৃন্দৰ লগতে সমূহ বিষয়ববীয়ালৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰে আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।■



## ৭৯ সংখ্যক স্বাধীনতা দিৱস উদযাপন



১৫ আগষ্ট তাৰিখে সমগ্ৰ দেশৰ লগতে সৰুপথাৰ মহাবিদ্যালয়তো উদযাপন কৰা হয় ৭৯ সংখ্যক স্বাধীনতা দিৱস। বিৰাল্লিশৰ আন্দোলনত মৃত্যুবৰণ কৰা শ্বহীদ কুশল কোঁৱৰৰ ঠাইত সৰুপথাৰ মহাবিদ্যালয়ত পতাকা উত্তোলন কৰে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰে। সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত আৰু ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ সহযোগত ৭৯ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে সৰুপথাৰ মহাবিদ্যালয়ৰ পৰা ৰাজহুৱা খেলপথাৰলৈ ত্ৰিৰংগা যাত্ৰা কৰা হয় । ছাত্ৰ-ছাত্ৰীসকলে হাতে হাতে ত্ৰিৰংগা লৈ বন্দে মাতৰম, ভাৰত মাতা কি জয় ধ্বনিৰে যাত্ৰা কৰে।

উল্লেখ্য যে ৭৯ সংখ্যক স্বাধীনতা দিৱসৰ দিনটোত সৰুপথাৰ সমজিলা প্ৰশাসনে স্বাধীনতা দিৱসৰ সৈতে সংগতি ৰাখি সৰুপথাৰ মহাবিদ্যালয়লৈ প্ৰদান কৰে "Centre of excellence"ৰ স্বীকৃতি। সমজিলা আয়ুক্ত শ্ৰীমানস জ্যোতি নাথে এই সন্মান আগবঢ়ায়। লগতে সমজিলা প্ৰশাসনে আয়োজন কৰা পেৰেড প্ৰতিযোগিতাত সৰুপথাৰ মহাবিদ্যালয়ৰ এন চি চি দলে শ্ৰেষ্ঠ দল আৰু ছাত্ৰ জ্যোতিষ ডেকাই শ্ৰেষ্ঠ কামাণ্ডাৰৰ সন্মান অৰ্জন কৰিবলৈ সক্ষম হয়। ■

## 'আধুনিক মীন পালন' পাঠ্যক্ৰমৰ পাঠদান আগবঢ়ায় মীন মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° ৰিংকু গগৈয়ে

সৰুপথাৰ মহাবিদ্যালয়ৰ এবছৰীয়া বৃত্তিমুখী পাঠ্যক্ৰম 'আধুনিক মীন পালন'ৰ শ্ৰেণীসমূহ নিয়মীয়াকৈ চলি আছে। যোৱা ৫ জুলাই তাৰিখে সৰুপথাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰ মহোদয়াৰ অনুৰোধ ক্ৰমে উপস্থিত আছিল মীন মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° ৰিংকু গগৈ। তেখেতে মীন পালন সম্পৰ্কীয় পাঠদান আগবঢ়ায়। ইয়াৰোপৰি পুখুৰীত মাছ মেলাৰ প্ৰাৰম্ভিক পৰ্যায়ৰ কামখিনিৰ বিষয়ে অৱগত কৰাৰ লগতে প্ৰায়োগিকভাৱেও শিক্ষাৰ্থীসকলক সুন্দৰকৈ দেখুৱাই দিলে। ■

## 'আধুনিক মীন পালন' পাঠ্যক্ৰমৰ শিক্ষাৰ্থীসকলে প্ৰস্তুত কৰিলে 'একুৱাৰিয়াম'

৮ আগষ্ট তাৰিখে সৰুপথাৰ মহাবিদ্যালয়ৰ এবছৰীয়া মীন পালন পাঠ্যক্ৰমৰ শিক্ষাৰ্থীসকলে তৈয়াৰ কৰিলে একুৱাৰিয়াম। সৰুপথাৰ মহাবিদ্যালয়ৰ এবছৰীয়া বৃত্তিমুখী পাঠ্যক্ৰম 'আধুনিক মীন পালন'ৰ পাঠ্যক্ৰমৰ লগত সংগতি ৰাখি একুৱাৰিয়াম প্ৰস্তুতকৰণ সম্পৰ্কীয় পাঠদান আগবঢ়োৱা হৈছিল। বৰপথাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° পৱিত্ৰ চুতীয়াৰ নেতৃত্বত আৰু সৰুপথাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰ মহোদয়াৰ উদ্যোগত 'আধুনিক মীন পালন' পাঠ্যক্ৰমৰ শিক্ষাৰ্থীসকলে এটা সুন্দৰ একুৱাৰিয়াম প্ৰস্তুত কৰি উলিয়ায়। ■

## সৰুপথাৰ মহাবিদ্যালয় পৰিদৰ্শন মন্ত্ৰী শ্ৰীযোগেন মোহনৰ

৫ জুলাই, ২০২৫ তাৰিখে পুৰাতত্ব, পৰিবহন, পুথিভঁৰাল আৰু সমবায় বিভাগৰ সন্মানীয় মন্ত্ৰী শ্ৰীযোগেন মোহন ডাঙৰীয়া আৰু পুৰাতত্ব বিভাগৰ সঞ্চালক ড° দীপিৰেখা কুলি; উপ-সঞ্চালক, শ্ৰীনৱজ্যোতি দেউৰীয়ে সৰুপথাৰ মহাবিদ্যালয় পৰিদৰ্শন কৰে। সন্মানীয় মন্ত্ৰীগৰাকীয়ে বিশেষকৈ মহাবিদ্যালয়ৰ যাদুঘৰ সম্পৰ্কে দিহা-পৰামৰ্শ প্ৰদান কৰে। ■

## তাঁতশাল প্ৰশিক্ষণৰ ৪৫ দিনীয়া কৰ্মশালা আৰম্ভ

১৬ আগষ্ট, ২০২৫ ৰ পৰা IIE (INDIAN INSTITUTE OF ENTREPRENEURSHIP) ৰ পৃষ্ঠপোষকতা আৰু সৰুপথাৰ মহাবিদ্যালয়ৰ সহযোগত প্ৰেমহৰা গাঁও পঞ্চায়তত স্থানীয় মহিলাসকলৰ বাবে এটি তাঁতশাল প্ৰশিক্ষণৰ ৪৫ দিনীয়া কৰ্মশালা আৰম্ভ কৰা হৈছে। মহিলাসকলৰ স্বনিয়োজন আৰু সবলীকৰণৰ উদ্দেশ্যেৰে আয়োজিত এই কৰ্মশালাত মুঠ ১২০ গৰাকী মহিলাই অংশ গ্ৰহণ কৰিছে। মুখ্য তত্বাৱধায়ক তথা প্ৰশিক্ষক হিচাপে নৱ গগৈ ডাঙৰীয়া কৰ্মশালাটিৰ সামগ্ৰিক দায়িত্বত আছে। ইয়াৰ জৰিয়তে স্বনিয়োজনৰ ক্ষেত্ৰত মহিলাসকল আৰু এখোজ আগবাঢ়ি যাব পাৰিব। উল্লেখযোগ্য যে এই বছৰত IIE ৰ সহযোগত মহিলা স্বনিয়োজনৰ ক্ষেত্ৰত এইটো সৰুপথাৰ মহাবিদ্যালয়ৰ দ্বিতীয়টো কৰ্মশালা ।■





## 'নিযুত মইনা-২.০' আঁচনিৰ আবেদন পত্ৰ বিতৰণ কাৰ্যসূচী



৬ আগষ্ট, ২০২৫ তাৰিখে সৰুপথাৰ মহাবিদ্যালয়ৰ মুহিকান্ত তামুলী প্ৰেক্ষাগৃহত ছাত্ৰীসকলৰ বাবে থকা অসম চৰকাৰৰ উচ্চশিক্ষাৰ অভিলাষী আঁচনি মুখ্যমন্ত্ৰীৰ নিযুত মইনাৰ প্ৰ-পত্ৰ ছাত্ৰীসকলৰ মাজত বিতৰণ কৰা হয়। এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে সৰুপথাৰ সমষ্টিৰ বিধায়ক শ্ৰীবিশ্বজিৎ ফুকনৰ লগতে সৰুপথাৰ সমজিলাৰ আয়ুক্ত শ্ৰীমানস জ্যোতি নাথ উপস্থিত থাকে। সভাখনৰ আঁত ধৰে বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক সত্যব্ৰত দত্তই। এই আঁচনিৰ জৰিয়তে সৰুপথাৰ মহাবিদ্যালয়ৰ ১১০৬ গৰাকী ছাত্ৰী উপকৃত হ'ব।

বাল্যবিবাহৰ বিৰুদ্ধে অসম চৰকাৰৰ দৃঢ় প্ৰচেষ্টাৰ এক গুৰুত্বপূৰ্ণ অধ্যায় ৰূপে, ৬ আগষ্ট তাৰিখে ৰাজ্যজুৰি ছাত্ৰীসকলৰ মাজত আবেদন পত্ৰ বিতৰণৰ জৰিয়তে 'নিযুত মইনা ২.০' আঁচনিৰ শুভাৰম্ভ কৰা হয়। মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ৰাজ্যজুৰি ছাত্ৰীসকললৈ আবেদন পত্ৰ বিতৰণৰ মাধ্যমেৰে এই আঁচনিৰ আনুষ্ঠানিক শুভাৰম্ভ কৰে। এই শুভক্ষণৰ অংশ হিচাপে সৰুপথাৰ মহাবিদ্যালয়ৰ পৰা 'নিযুত মইনা-২.০' আঁচনিৰ আবেদন পত্ৰ বিতৰণ কাৰ্যসূচীৰ শুভ উদ্বোধন কৰে সৰুপথাৰ সমষ্টিৰ সন্মানীয় বিধায়ক শ্ৰীবিশ্বজিৎ ফুকনে।।■

## প্ৰাক্তন ছাত্ৰী কৃতিকা আগৰৱাল আৰু ৰিতিকা আগৰৱালে লাভ কৰে ডক্টৰেট ডিগ্ৰী

যাত্ৰা অসীম অনন্ত...ছাত্ৰ-ছাত্ৰীৰ সাফল্য

সৰুপথাৰ মহাবিদ্যালয়ৰ দুগৰাকী প্ৰাক্তন ছাত্ৰী কৃতিকা আগৰৱাল আৰু ৰিতিকা আগৰৱালে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা সন্মানীয় ডক্টৰেট ডিগ্ৰী লাভ কৰিছে। দুয়োগৰাকী বৰ্তমান ক্ৰমে মৰিয়নি মহাবিদ্যালয় আৰু যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক হিচাপে কৰ্মৰত। এই দুয়োগৰাকী কৃতী ছাত্ৰীৰ সফলতাত মহাবিদ্যালয় পৰিয়াল স্বাভাৱিকতেই অত্যন্ত আনন্দিত হৈছে। নিশ্চিতভাৱে দুয়োগৰাকী ছাত্ৰীৰ সফলতাই অনাগত সময়ত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক অনুপ্ৰাণিত কৰিব। ড° কৃতিকা আৰু ড° ৰিতিকা আগৰৱাললৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড°প্ৰাপ্তি ঠাকুৰ মহোদয়াই শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰে। ■

### কৃতিত্ব



**কৃতিকা আগৰৱাল**ক ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা "Volatility of Foreign Exchange Reserves in India since 1991 with Special Reference to Select Crisis Period" শীৰ্ষক গৱেষণা বিষয়ৰ বাবে সন্মানীয় ডক্টৰেট (Ph.D.) ডিগ্ৰী প্ৰদান কৰা হৈছে। তেওঁ নিজৰ গৱেষণা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বাণিজ্য বিভাগৰ সহযোগী অধ্যাপিকা ড° জুতিমালা বৰাৰ তত্বাৱধানত সম্পন্ন কৰে। কৃতিকা আগৰৱাল বৰ্তমান মৰিয়নি মহাবিদ্যালয়, মৰিয়নি, যোৰহাটত সহকাৰী অধ্যাপিকা হিচাপে কৰ্মৰত। কৃতিকা আগৰৱাল শ্ৰী ৰাজু আগৰৱাল আৰু শ্ৰীমতী চৰিতা আগৰৱালৰ জ্যেষ্ঠ কন্যা আৰু ৰিতিকা আগৰৱালৰ ভগ্নী। তেওঁ গোলাঘাট জিলাৰ সৰুপথাৰ চহৰৰ বাসিন্দা।

### কৃতিত্ব



**ৰিতিকা আগৰৱালে** ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা "Disinvestment of Central Public Sector Enterprises of India: A Study on Oil and Natural Gas Industry" শীৰ্ষক গৱেষণা বিষয়ৰ বাবে ডক্টৰেট (Ph.D.) ডিগ্ৰী লাভ কৰে। তেওঁ নিজৰ গৱেষণা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ব্যৱস্থাপনা অধ্যয়ন কেন্দ্ৰৰ অধ্যাপক ড° প্ৰতিম বৰুৱাৰ তত্বাৱধানত সম্পন্ন কৰে। ৰিতিকা আগৰৱাল বৰ্তমান যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়, যোৰহাটত সহকাৰী অধ্যাপিকা হিচাপে কৰ্মৰত। ৰিতিকা আগৰৱাল শ্ৰী ৰাজু আগৰৱাল আৰু শ্ৰীমতী চৰিতা আগৰৱালৰ কনিষ্ঠা কন্যা আৰু কৃতিকা আগৰৱালৰ কনিষ্ঠা ভগ্নী। তেওঁ গোলাঘাট জিলাৰ সৰুপথাৰ চহৰৰ বাসিন্দা।

# English Section

## National Seminar on Rural Women Empowerment Concludes Successfully at Sarupathar College

**Sarupathar, August 23, 2025:** A landmark Two-Day ICSSR Sponsored National Seminar on "Empowering Rural Women through SHGs: A Pathway to Economic Independence for Viksit Bharat 2047" concluded successfully at Sarupathar College. Organized by the Department of Commerce in association with IQAC and the South Development Block, the event was held at the Muhikanta Tamuli Auditorium on August 22–23, 2025.

The seminar commenced with a welcome address by Principal Dr. Prapti Thakur and featured a keynote speech by Prof. Pranjal Bezborah, renowned as the "Management Guru of North East India." Ms. Tamasha Das, BDO, South Development Block, Sarupathar, also graced the event.



A special highlight was the prominent seating of Self-Help Group (SHG) members, emphasizing the seminar's practical focus on rural women's empowerment. Eminent scholars, including Prof. Ranjit Singh, Dr. Bipasha Chetia Barua, and Dr. Himadri Dutta, along with online contributions from Prof. Shanti Gopal Majhi and Dr. Sarat Borah, presented research and discussions on themes such as women's entrepreneurship, sustainable development, and gender in climate change.



Out of over 90 abstracts, 50 research papers were presented in a blended mode, enriching the academic dialogue with a diverse range of perspectives. The event concluded with a valedictory session led by Dr. Himadri Dutta and Vice Principal Jayanta Borah, who lauded the organizing team's effort. Convenor Dr. Sanjay Rizal and Co-Convenors Dr. Pritom Sutradhar and Ms. Anjali Yadav expressed gratitude to all participants and contributors. The seminar marked a significant step in Sarupathar College's dedication to community-oriented research and academic inclusivity.■

## KKHSOU Admission Awareness Programme 2025 Held at Sarupathar College

**Sarupathar, August 7, 2025:** The Krishna Kanta Handique State Open University (KKHSOU) Admission Awareness Programme 2025 was successfully held at Sarupathar College. Organized by the KKHSOU Study Centre in collaboration with the Jorhat Regional Centre, the event aimed to raise awareness about the university's admission process, course offerings, and career opportunities among students and the general public.

The programme featured distinguished resource persons from Jorhat Regional Centre, including Dr. Utpal Deka (Economics), Dr. Bhaskar Bhattachariya (Philosophy), Ankur Jyoti Borman (Political Science), and Brihatrabar Pegu (History). Each speaker highlighted the benefits of open and distance learning, the flexibility of KKHSOU's education system, and its diverse academic and career-oriented programmes.

Participants actively engaged in the interactive session, where queries related to eligibility, admission procedures, and study support systems were thoroughly addressed. The event proved valuable in guiding aspirants towards accessible higher education opportunities through KKHSOU.■

## 7-Day NSS Special Camp at Sarupathar College Concludes Successfully

**Sarupathar, July 29, 2025:** The 7-Day NSS Special Camp organized by Sarupathar College concluded successfully on July 29, 2025, after a week of dedicated community service and social awareness activities. Held from July 23 to July 29 at Sancha Memorial English Academy, Chungajan Niketan, the camp engaged 30 NSS volunteers under the guidance of Program Officer Agni Chetri.



The week began with campus cleaning, tree plantation, and group formation to prepare for upcoming activities. Volunteers conducted door-to-door surveys to understand village issues such as sanitation, drinking water, health, and education, while distributing mahogany saplings to promote environmental awareness.

A major highlight was the free Medical Health Check-up Camp organized in collaboration with Sarupathar Co-District Civil Hospital, benefiting local villagers and school students with health screenings and preventive care advice. The camp also featured a yoga session promoting physical well-being, an art competition themed "Nature Scenery," and an engaging Quiz Competition. Winners of these contests were felicitated in a special session graced by Moni Prova Bora, former Principal of Sarupathar College, along with other dignitaries. The final day emphasized Cyber Security Awareness, educating volunteers about safe digital practices, online threats, and responsible social media use. The camp successfully fostered community engagement, environmental consciousness, health awareness, and digital responsibility, leaving volunteers and participants empowered to contribute positively to society.■

## Sarupathar College Organizes Workshop on Soft Skills and Personality Development

**Sarupathar, August 21, 2025:** The Department of Commerce, Sarupathar College organized a one-day workshop on "Soft Skill and Personality Development" at Muhikanta Tamuli Auditorium as part of its ongoing efforts to aenhance student employability and holistic growth. The event was held in collaboration with the Entrepreneurship Cell, Marketing Club, and Finance Club of the college.



The workshop aimed to equip students with essential soft skills such as communication, leadership, teamwork, and problem-solving, while also focusing on personality development aspects like self-confidence and professional etiquette. Prof. Pranjal Bezborah, Retired Professor, Department of Commerce, Dibrugarh University, and popularly known as the "Management Guru of North East India," served as the key resource person.



Through interactive sessions, role-play exercises, case studies, and real-life examples, the workshop fostered practical learning. Students actively participated in discussions, shared personal experiences, and gained insights into the significance of soft skills in career success.

Participants left the workshop with enhanced self-confidence, a clearer understanding of employability requirements, and a roadmap for personal and professional development. The event was widely appreciated for its impactful approach and is expected to positively influence the future career paths of the students.■

# Nurturing Minds: International Youth Day Lecture on Mental Health

***Sarupathar, August 12, 2025:*** On the occasion of International Youth Day, 12 August 2025, a lecture programme on mental health was organized at the college for students. Supported by Cairns Oil and Gas, Vedanta Ltd., the event featured noted psychotherapist and psychologist Shubhangi Bhagawati, who delivered an insightful talk on students' mental health and wellbeing.""The programme was graced by Ajay Bezbaruah, CSR Head of Cairns Vedanta, Associate Manager Richika Chubby, Programme Associate Biraj Bhuyan, Teachers' Association President Parag Bhuyan, IQAC Coordinator Dr. Ridip Khanikor, Dr. Prem Kanta Bora, along with the teaching and non-teaching staff of the college. "The session encouraged students to prioritize mental health, creating awareness about the importance of emotional resilience and holistic wellbeing.■



# One-Week *"Campus to Corporate"* Training Programme held at Sarupathar

***Sarupathar, August 22, 2025:*** The Internal Quality Assurance Cell (IQAC) of Sarupathar College, in collaboration with ICT Academy, Guwahati, successfully organized a *One-Week Training Programme on Campus to Corporate* from 18th August to 22nd August, 2025. The programme was designed to prepare students for professional challenges and enhance their employability skills.
The inaugural session was conducted under the coordination of Dr. Ridip Khanikar, IQAC Coordinator. The session was graced by Mr. Jayanta Borah, Vice Principal of Sarupathar College, and Mr. Nabajyoti Goswami, who extended their best wishes and highlighted the importance of such training for bridging the gap between academic learning and the professional world.



The resource person for the programme was Mr. Sunil Bora, who guided the participants through a series of interactive sessions spread over five days.

**Day-wise Highlights**

- Day 1 (18th August, 2025): *Communication Skills* Mr. Bora emphasized the role of effective communication in professional success and engaged participants through practical exercises.
- Day 2 (19th August, 2025): *Interview Skills, Dress Code, Ethics, and Behaviour*. The session focused on preparing students for interviews, professional etiquette, and appropriate corporate dressing.
- Day 3 (20th August, 2025): *Self-Assessment* Students were encouraged to identify their strengths, weaknesses, and career aspirations through reflective exercises.
- Day 4 (21st August, 2025): *Time Management and Goal Setting* Practical strategies were shared to help participants prioritize tasks, set realistic goals, and achieve them effectively.
- Day 5 (22nd August, 2025): *Resume Building, Video Resume, and Mock Interviews*. The final day provided hands-on training in resume preparation, creating impactful video resumes, and participating in mock interview sessions.

**Participation**

The programme witnessed an enthusiastic response with around 100 participants, including students from various streams of Sarupathar College.

Outcome

The week-long programme significantly enhanced the students' readiness for corporate life by improving their communication, interview performance, and professional behaviour. Participants expressed that the sessions boosted their confidence and provided them with practical skills for future careers.
The *Campus to Corporate* training programme proved to be highly beneficial in equipping students with the necessary soft skills and workplace competencies. The efforts of IQAC, Sarupathar College, in collaboration with ICT Academy, Guwahati, were well appreciated by all.■

# Women's Cell Distributes Sanitary Pads at Sarupathar College

**Sarupathar, August 27, 2025:** PThe Women's Cell of Sarupathar College organized a sanitary pad distribution programme for the girl students of the college. The event, presided over by Dr. Bobita Dutta, President of the Women's Cell, saw the distribution of sanitary pads to over 300 students in the presence of the Principal, the office bearers and other esteemed members of the Cell.■

## আলোকচিত্ৰ







'আধুনিক মীন পালন'ৰ পাঠ্যক্ৰমৰ শিক্ষাৰ্থীৰ দ্বাৰা একুৱাৰিয়াম তৈয়াৰ কৰাৰ আলোকচিত্ৰ

## বিনামূলীয়া চিকিৎসা সেৱাৰ আলোকচিত্ৰ





## স্বাধীনতা দিৱসৰ আলোকচিত্ৰ







স্বাধীনতা দিৱসৰ পেৰেডত অংশ লোৱা এন.চি.চি দল

প্ৰতিবিম্ব ই-বাৰ্তাৰ এই সংখ্যাৰ সম্পাদনা সমিতিঃ
মুখ্য উপদেষ্টাঃ ড° প্ৰাপ্তি ঠাকুৰ
উপদেষ্টাঃ ড° ববিতা দত্ত
সম্পাদকঃ সত্যব্ৰত দত্ত
সম্পাদক (ইংৰাজী শাখা)ঃ তৃস্মিতা বড়া
সহঃ সম্পাদকঃ যুগল মেধি, কাৰিকৰী ব্যৱস্থাপনা ঃ যুগল মেধি